# আগকথা

১৯৯৬ চনৰ গোষ্ঠী সংঘৰ্ষৰ পাছত খবৰ কাকত আৰু দূৰদৰ্শনত পৰিবেশিত বিভিন্ন খবৰৰ জৰিয়তে চাওঁতাল জনগোষ্ঠীৰ বিষয়ে প্ৰথম শুনিবলৈ পাইছিলো। কিন্তু তেওঁলোকক চাক্ষুস ভাৱে দেখাৰ কোনো সুবিধা পোৱা নাছিলো। ১৯৯৮ চনত চাকৰিৰ সন্ধানত সেৰফাংগুৰিস্থিত জনতা মহাবিদ্যালয়ত সাক্ষাৎকাৰ দিবলৈ অহাৰ সময়ত কাৰিগাঁও পাৰ হৈয়েই ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দুকাষে দেখিবলৈ পাইছিলো গোষ্ঠী সংঘৰ্ষত বিতাড়িত চাওঁতাল শৰণাৰ্থীৰ লানি নিচিগা শিবিৰৰ শাৰী। পৰৱৰ্ত্তী সময়ত উক্ত মহাবিদ্যালয়ত প্ৰৱক্তাৰ পদত যোগদান কৰাৰ সুবাদত এই জনগোষ্ঠীটোৰ বিষয়ে ভালদৰে জানিবৰ সুযোগ পালো। তেওঁলোকৰ মাজৰ বিভিন্ন নেতৃস্থানীয় ব্যক্তিৰ সৈতে মত বিনিময় কৰা হ'ল। লগতে তেওঁলোকৰ বিভিন্ন উৎসৱ পাৰ্বনত অতিথি হিচাপে অংশ গ্ৰহণৰ সুযোগ পালো। বাহ্যিক দৃষ্টিত সাধাৰণ যেন লগা জনগোষ্ঠীটোৰ বহুসংখ্যক একক বৈশিষ্ট্য লাহে লাহে চকুৰ সন্মুখত উন্মোচিত হ'ব ধৰিলে। উপলব্ধি হ'ল প্ৰচাৰ বিমুখতাৰ বাবে এটা সুকীয়া ঐতিহ্য বহনকাৰী জনগোষ্ঠী যেন কালৰ সোঁতত হেৰাই যোৱাৰ উপক্ৰম হৈছে। নামনি অসমত আদিবাসী আৰু উজনি অসমত চাহ-জনগোষ্ঠী হিচাপে পৰিচিতি লাভ কৰাৰ ফলত চাওঁতাল হিচাপে থকা তেওঁলোকৰ আত্মপৰিচয় যেন বিলুপ্তিৰ গৰাহত। তেওঁলোকৰ বাবে কিবা এটা কৰাৰ যি সময়ৰ আহ্বান সেই আহ্বানক সৰোগত কৰি যি প্ৰচষ্টা আগবঢ়োৱা হ'ল তাৰেই ফচল হ'ল এই গৱেষণা গ্ৰন্থ।

এই গৱেষণা গ্ৰন্থখনৰ প্ৰস্তুতি পৰ্বৰ পৰা অন্তলৈকে যিসকল পণ্ডিত প্ৰৱৰ ব্যক্তি, চাওঁতাল সমাজৰ বিভিন্ন নেতৃস্থানীয় ব্যক্তি, বন্ধু-বান্ধৱ, পৰিয়াল পৰিজন আৰু শ্ৰদ্ধাৰ তত্ত্বাবধায়কে আকুণ্ঠ সহায়-সহযোগিতা আগবঢ়ালে তেওঁলোক সদৌটিলৈকে আমি কৃতজ্ঞতা নিবেদন ধৰিছোঁ। তেওঁলোকৰ সহায়-সহযোগিতা আৰু অনুপ্ৰেৰণা অবিহনে এই গৱেষণা গ্ৰন্থ প্ৰস্তুত কৰণ সম্ভৱ হৈ নুঠিল হেতেন।

তত্ত্বাবধায়ক ড° নৰজ্যোতি শৰ্মা মহাশয়ে "অসমৰ চাওঁতাল জনগোষ্ঠীৰ পৰম্পৰাগত জীৱনশৈলীঃ এটি বিশ্লেষণাত্মক অধ্যয়ন (কোকৰাঝাৰ জিলাৰ বিশেষ উল্লিখনেৰে)" শীৰ্ষক

গৱেষণা গ্ৰন্থখনৰ পূৰ্ণ ৰূপ দিয়াৰ প্ৰতিটো দিশতে ভূল ত্ৰুটিবোৰ আঙুলিয়াই দি বিভিন্ন দিহা পৰামৰ্শৰে কৰ্ম সমাপনৰ বাবে অহৰহ তাগিদা আৰু অনুপ্ৰেৰণা জোগাই আহিছে। এই মহানুভৱতাৰ বাবে আমি তেখেতৰ ওচৰত আজন্ম ঋণী হৈ ৰ'ম।

মা আৰু দেউতাৰ একান্ত ইচ্ছা আছিল তেওঁলোকৰ জীৱন কালত আমাৰ গৱেষণা কৰ্মৰ সফল পৰিসমাপ্তি। কিন্তু মাৰ সেই আশা অপূৰ্ণ হৈয়েই ৰ'ল। শয্যাগত দেউতাৰ উৎসাহ আৰু অনুপ্ৰেৰনাই আমাৰ গৱেষণা কৰ্মৰ যি গতি প্ৰদান কৰিলে তাৰ বাবে আমাৰ এই গৱেষণা গ্ৰন্থখন, তেওঁলোকৰ চৰণত উছৰ্গা কৰিলোঁ।

অসমৰ চাওঁতাল সমাজখনৰ পুৰুষ-মহিলা সমন্বিতে যি সকল সদাশয় ব্যক্তিয়ে বিভিন্ন তথ্য জ্ঞাপনেৰে আমাৰ গৱেষণা গ্ৰন্থ খনৰ প্ৰয়োজনীয় তথ্য সমল যোগান ধৰিলে তেওঁলোকৰ ওচৰত আমি সদায় ঋণী হৈ ৰ'ম। চাওঁতাল সমাজৰ দুগৰাকী বিদ্বৎ ব্যক্তি উত্তৰ পাটগাঁও নিবাসী শ্ৰীযুত চানুৰাম হেমব্ৰম আৰু গৌৰীনগৰ নিবাসী শ্ৰীযুত সত্য নাথ টুডু ডাঙৰীয়াই আমাৰ ক্ষেত্ৰ অধ্যয়ণৰ সকলো দিশ চোঁৱাচিতা কৰিছিল আৰু দোভাষী হিচাপে সকলো সময়তে আমাক সংগ দিয়াৰ বাবে প্ৰস্তুত আছিল। তেওঁলোক দুজনলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা ও শ্ৰদ্ধা নিবেদন কৰিছোঁ।

মহামাৰী কভিদ-১৯ৰ জটিল সন্ধিক্ষণৰ 'লক ডাউন'ৰ সময়চোঁৱাত বৰ্ণ বিন্যাসেৰে আমাৰ গ্ৰন্থখনৰ আক্ষৰিক ৰূপ দিয়া কোকৰাঝাৰ চহৰ নিবাসী বন্ধুবৰ শ্ৰীযুত কাজল দাসলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

তদুপৰি বডোলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান ড° বিভূতি লোচন শৰ্মা মহাশয়, ড° চুমী কলিতা বাইদেউ, ড° ৰাতুল ডেকা মহাশয়, দীপামণি বৈশ্য বাইদেউ আৰু ডেইজী ৰাণী ডেকা বাইদেউলৈ তেখেত সকলৰ বিভিন্ন সহায় সহযোগিতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত গৱেষণা গ্ৰন্থখনত অনিচ্ছা কৃত ভাৱে ৰৈ যোৱা বিভিন্ন ভূল ত্ৰুটিৰ বাবে সংশিষ্ট সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থী হৈ ৰ'লো।

নয়ন জ্যোতি দাস

দিনাংক ঃ ০৫/০২/২০২১

গৱেষক, অসমীয়া বিভাগ,

বডোলেণ্ড বিশ্ববিদ্যালয়।